NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-04-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ বাবে মাজত মাত্ৰ কেইটামান দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে।

২। কংগ্ৰেছে লোকসভা নিৰ্বাচনৰ বাবে ১১ গৰাকী প্ৰাৰ্থীৰ আন এখন তালিকা প্ৰকাশ কৰিছে।

৩। মণিপুৰৰ ইনাৰ মণিপুৰ সংসদীয় সমষ্টিৰ ১১টা ভোটগ্ৰহণ কেন্দ্ৰত আজি পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছে।

৪। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত সন্মানীয় পদ্ম বঁটাসমূহ প্ৰদান কৰিব। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি নিশা গুজৰাট টাইটানছে পাঞ্জাব কিংছক ৩ উইকেটত পৰাস্ত কৰাৰ বিপৰীতে কলকাতা নাইট ৰাইডাৰ্ছে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ১ ৰানত পৰাস্ত কৰে।

ooooo

দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ বাবে মাজত মাত্ৰ কেইটামান দিন বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে ইখনৰ পিছত সিখনকৈ ৰেলী আৰু ৰোড শ্ব'ৰ আয়োজন কৰি ভোটদাতা ৰাইজৰ মন আকৰ্ষণ কৰাৰ আপ্ৰাণ চেষ্টা চলাইছে। এই পৰ্যায়ত অহা ২৬ এপ্ৰিলত কেৰালাৰ ২০ খন , কৰ্ণাটকৰ ১৪ খন, ৰাজস্থানৰ ১৩ খন, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ ৮ খনকৈ, মধ্য প্ৰদেশৰ ৭ খন, অসম আৰু বিহাৰৰ ৫ খনকৈ, পশ্চিম বংগ আৰু ছত্তিগড়ৰ ৩ খনকৈ আৰু ত্ৰিপুৰা আৰু জম্মু-কাশ্মীৰৰ এখনকৈ আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ৰাজস্থানৰ জালোৰ আৰু বঞ্চবাড়া নিৰ্বাচনী ৰেলীক সম্বোধন কৰে। তেওঁ কয় যে দেশৰ বাবে এখন সুস্থিৰ চৰকাৰৰ প্ৰয়োজন, যিখন চৰকাৰে ভৱিষ্যতৰ প্ৰয়োজনসাপেক্ষে মৌলিক আন্তঃগাঁথনি, সা-সুবিধাসমূহ উন্নীত কৰিব পাৰে তথা যুৱক-যুৱতীসকলৰ সপোন অনুধাৱন কৰি তেওঁলোকৰ প্ৰয়োজনসাপেক্ষে নীতিসমূহ ৰূপায়ণ কৰিব পাৰে আৰু মহিলা, কৃষক, দৰিদ্ৰ, অৱহেলিত, জনজাতি তথা পিছপৰা শ্ৰেণীৰ লোকসকলৰ যতন ল'ব পাৰে। তেওঁ কয় যে, বিজেপিয়ে দেশক উন্নতিৰ শিখৰলৈ লৈ যোৱাৰ সংকল্পৰে কাম কৰি আছে। কংগ্ৰেছে সুবিধাবাদী মিত্ৰজোঁট গঠন কৰিছে বুলি অভিযোগ তুলি শ্ৰীমোদীয়ে কয় যে, এনে মিত্ৰজোঁটৰ হাতত দেশৰ শাসনভাৰ তুলি দিয়াটো উচিত নহয়।

ইপিনে, মুৰ্চিদাবাদৰ নৰসিংহপুৰ আৰু শিলিগুড়ি তথা মালদাৰ  নালাগোলাত আয়োজিত জনসভাত ভাষণ দি বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে কয় যে, সন্দেশখালীৰ ঘটনাই ইয়াকে প্ৰমাণিত কৰিছে যে, মমতা বেনাৰ্জী নেতৃত্বাধীন চৰকাৰৰ অধীনত পশ্চিমবংগৰ মহিলাসকল মুঠেও সুৰক্ষিত নহয়।  মুখ্যমন্ত্ৰীগৰাকীয়ে এন আৰ চিৰ বিষয় সন্দৰ্ভত প্ৰব্ৰজিত শ্ৰমিকসকলক বিপথে পৰিচালিত কৰা বুলিও তেওঁ অভিযোগ তোলে।

আনহাতে, তৃণমূল কংগ্ৰেছৰ মুৰব্বী মমতা বেনাৰ্জীয়ে কয় যে, বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে সংখ্যালঘু আৰু অনুসূচিত জাতি তথা অনুসূচিত জনজাতিকে ধৰি সাধাৰণ জনতাক অৱহেলা কৰিছে। বালুৰঘাটত এখন জনসভাত ভাষণ দি শ্ৰীমতী বেনাৰ্জীয়ে কেন্দ্ৰই ৰাজ্যসমূহলৈ উপযুক্ত পুঁজিৰ যোগান নধৰা বুলি অভিযোগ উত্থাপন কৰে।

কাটিহাৰত এখন জনসভাত ভাষণ দি বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে অভিযোগ উত্থাপন কৰি কয় যে, কংগ্ৰেছ আৰু আৰ জে ডি নেতৃত্বাধীন মহা মিত্ৰজোঁটে বিহাৰক পুনৰ **জংঘলৰাজ**ৰ যুগলৈ লৈ যাব বিচাৰিছে। তেওঁ কয় যে, একমাত্ৰ এন ডি এ-হে ৰাজ্যখনৰ উন্নয়নৰ হকে কাম কৰিব পাৰে। শ্ৰীশ্বাহে কয় যে, কাকা চাহেব কালেলকাৰ আৰু মণ্ডল আয়োগৰ প্ৰতিবেদনৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি কংগ্ৰেছে সদায় সমাজৰ পিছপৰা শ্ৰেণীৰ স্বাৰ্থৰ বিৰুদ্ধে কাম কৰিছে।

ইপিনে, উত্তৰ প্ৰদেশত ডি এছ পিৰ মুৰব্বী মায়াৱতীয়ে কয় যে, বিজেপিৰ কথা আৰু কামৰ মাজত বৃহৎ পাৰ্থক্য আছে । গাজিয়াবাদ আৰু আমৰোহাত নিৰ্বাচনী ৰেলীক সম্বোধন কৰি তেওঁ কয় যে, নিৰ্বাচনত বিজেপিৰ গেৰেণ্টিসমূহ ফলপ্ৰসূ নহ'ব।

বিজেপিৰ নেতা অনুৰাগ সিং ঠাকুৰে সংবিধান পৰিৱৰ্তনৰ বিষয়টো  সন্দৰ্ভত জনসাধাৰণৰ মাজত বিভ্ৰান্তি বিয়পাইছে বুলি কংগ্ৰেছক জগৰীয়া কৰে। জলন্ধৰত এখন সংবাদমেলত ভাষণ দি তেওঁ কয় যে, ক্ষমতাত থকাৰ সময়ত কংগ্ৰেছে নিজেই ৬২ বাৰ সংবিধানৰ পৰিৱৰ্তন কৰিছিল।

আনহাতে, কংগ্ৰেছৰ জ্যেষ্ঠ নেতা পি চিদাম্বৰমে কয় যে, কেন্দ্ৰত ক্ষমতালৈ আহিলে আই এন ডি আই মিত্ৰজোঁটে জামিন এটা নিয়ম আৰু কাৰাগাৰ এক ব্যতিক্ৰম বুলি সৰ্বোচ্চ ন্যায়ালয়ৰ দ্বাৰা আইনী নীতিসমূহ কাৰ্যকৰী কৰাৰ বাবে বিশেষ আইন তৈয়াৰ কৰিব। তিৰুবনন্তপুৰমত এখন সভাত তেওঁ এইকথা প্ৰকাশ কৰে।

ooooo

কংগ্ৰেছে লোকসভা নিৰ্বাচনৰ বাবে ১১ গৰাকী প্ৰাৰ্থীৰ আন এখন তালিকা প্ৰকাশ কৰিছে। দলে ঝাৰখণ্ডৰ ৰাঁচী লোকসভা সমষ্টিৰ পৰা যশস্বিনী সাহাই আৰু গোড্ডা সমষ্টিৰ পৰা দিপীকা পাণ্ডে সিঙৰ পৰিৱৰ্তে প্ৰদীপ যাদৱক প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। তালিকাখনত অন্ধ্ৰপ্ৰদেশৰ ৯ গৰাকী প্ৰাৰ্থীৰ নাম অন্তৰ্ভুক্ত কৰা হৈছে। বিজয়বাড়া লোকসভা আসনৰ বাবে বল্লাৰু ভাৰ্গৱে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ লগতে শ্ৰীকাকুলাম আসন খনৰ বাবে পেড়াড়া পৰমেশ্বৰাৰাৱে প্ৰাৰ্থীত্ব আগবঢ়াইছে। কংগ্ৰেছৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিয়ে এই নামসমূহ চূড়ান্ত কৰিছে।

ooooo

মণিপুৰৰ ইনাৰ মণিপুৰ সংসদীয় সমষ্টিৰ ১১টা ভোটগ্ৰহণ কেন্দ্ৰত আজি পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। নিৰ্বাচন আয়োগে এই কেন্দ্ৰ কেইটাত পুৱা ৭ বজাৰ পৰা সন্ধিয়া ৫ বজালৈ পুনৰ ভোটগ্ৰহণ কৰিবলৈ ৰাজ্যিক নিৰ্বাচন প্ৰাধিকৰণক নিৰ্দেশ দিছিল।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত সন্মানীয় পদ্ম বঁটাসমূহ প্ৰদান কৰিব। শ্ৰীমতী মুৰ্মুৱে প্ৰাক্তন উপ ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডু আৰু ভাৰত নাট্যমৰ বিশিষ্ট শিল্পী ড০ পদ্মা সুব্ৰমণ্যমক পদ্ম বিভূষণ সন্মান প্ৰদান কৰিব। আনহাতে বিন্দেশ্বৰ পাঠকক মৰণোত্তৰভাৱে পদ্ম বিভূষণ বঁটা প্ৰদান কৰা হ'ব। অভিনেতা মিথুন চক্ৰৱৰ্তী আৰু সংগীত শিল্পী উষা উত্থপে আজি সন্মানীয় পদ্ম ভূষণ বঁটা গ্ৰহণ কৰিব।

ooooo

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ আলিগড়ত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। আলিগড় সংসদীয় সমষ্টিৰ বাবে দ্বিতীয় পৰ্যায়ত অহা ২৬ এপ্ৰিলত লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। এই আসনখনৰ বাবে বৰ্তমানৰ সাংসদ তথা বিজেপি প্ৰাৰ্থী সতীশ গৌতম, সমাজবাদী পাৰ্টিৰ চৌধৰী বিজেন্দ্ৰ সিং আৰু বহুজন সমাজপাৰ্টিৰ হিতেন্দ্ৰ কুমাৰৰ মাজত ত্ৰিকোণীয় প্ৰতিদ্বন্দ্বিতা হ'ব।

ooooo

গুজৰাটত লোকসভা নিৰ্বাচনৰ বাবে ৩২৮ গৰাকী প্ৰাৰ্থী আৰু বিধানসভা উপ নিৰ্বাচনৰ বাবে ২৭ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ গ্ৰহণ কৰা হৈছে। ৰাজ্যখনত কালি মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হয়। আমাৰ সংবাদদাতাই জনোৱা মতে, চুৰাট সমষ্টিৰ কংগ্ৰেছৰ লোকসভাৰ প্ৰাৰ্থী নীলেশ কুম্ভানিৰ মনোনয়ন পত্ৰ সমৰ্থকৰ স্বাক্ষৰ অমিল হোৱাৰ পৰিপ্ৰেক্ষিতত বাতিল কৰা হয়। আনহাতে, কংগ্ৰেছৰ আন এগৰাকী প্ৰাৰ্থী সুৰেশ পাডশালাৰ মনোনয়নো বাতিল হোৱাৰ ফলত চুৰাট আসনখনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰা কংগ্ৰেছ প্ৰাৰ্থী শূণ্য হৈ পৰে। উল্লেখযোগ্য যে, গান্ধী নগৰ লোকসভা আসনৰ বাবে সৰ্বাধিক ৩০ গৰাকী প্ৰাৰ্থীয়ে আৰু অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত বৰদ'লি লোকসভা আসনৰ বাবে সৰ্বনিম্ন তিনিগৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ৰাজ্যখনত লোকসভা নিৰ্বাচনৰ বাবে মুঠ ৪৩৩ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰাৰ বিপৰীতে বিধানসভাৰ উপ নিৰ্বাচনৰ বাবে ৩৭ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল।

ooooo

মালদ্বীপত ৰাষ্ট্ৰপতি মহম্মদ মুইজ্জুৰ শাসনাধিষ্ঠিত দল পিপ'লছ নেচনেল কংগ্ৰেছ-পি এন চিয়ে কালি হৈ যোৱা সংসদীয় নিৰ্বাচনত ব্যাপক সংখ্যাগৰিষ্ঠতা লাভৰ দিশে আগবাঢ়িছে। মালদ্বীপৰ নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে ইতিমধ্যে ঘোষণা হোৱা ২৬ খন আসনৰ ভিতৰত মুইজ্জুৰ পি এন চিয়ে ৬৬ খন আসনত জয় লাভ কৰিছে। উল্লেখযোগ্য যে, মালদ্বীপৰ সংসদীয় নিৰ্বাচনৰ বাবে কালি অনুষ্ঠিত ভোটগ্ৰহণত ৮১ শতাংশ ভোটদান হৈছিল। এই নিৰ্বাচনত ৯৩ টা সমষ্টিৰ পৰা মুঠ ৩৬৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ছণ্ডিগড়ৰ মহাৰাজা য়াৱাবিন্দ্ৰ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলত গুজৰাট টাইটানছে পাঞ্জাব কিংছক ৩ উইকেটত পৰাস্ত কৰে। পাঞ্জাব কিংছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ১৪২ ৰান কৰে। দলটোৰ হৈ প্ৰভসিমৰণ সিঙে সৰ্বাধিক ৩৫ ৰান কৰাৰ বিপৰীতে গুজৰাটৰ আৰ ছাই কিশোৰে ৪টাকৈ উইকেট দখল কৰে।

গুজৰাটে ১৯অ'ভাৰ এটা বলত ৭টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ছাই কিশোৰক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

ইপিনে, কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত প্ৰথমখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ১ ৰানত পৰাস্ত কৰে। কলকাতাই প্ৰথমে বেট ধৰি ২২২ ৰানৰ বৃহৎ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। দলটোৰ হৈ শ্ৰেয়ছ আয়াৰে ৫০ ৰান কৰাৰ বিপৰীতে ফিলিপ ছল্টে মাত্ৰ ১৪টা বলত ৪৮ ৰান কৰে। প্ৰত্যুত্তৰত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে নিৰ্ধাৰিত অ'ভাৰত ২২১ ৰান কৰিবলৈ সমৰ্থ হয়। কলকাতাৰ আণ্ড্ৰে ৰাছেলক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়। কলকাতা বৰ্তমান পইণ্ট তালিকাৰ শীৰ্ষত থকাৰ বিপৰীতে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু পইণ্ট তালিকাৰ অন্তিম স্থানত আছে।

প্ৰতিযোগিতাত আজি জয়পুৰৰ ছৱাই মান সিং ষ্টেডিয়ামত হ'বলগীয়া খেলত ৰাজস্থান ৰয়েলছে মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে খেলিব। খেলখন চাৰে ৭ বজাত অনুষ্ঠিত হ'ব।

ooooo

**সমাপ্ত**